আমাৰ লেখাত মিৰি, মিচিং, অকা, আদি, আপাটানিসকলৰ কথা প্ৰসংগক্ৰমে টানি অনা হৈছিল। তথ্য অনুসৰি অকা, আদি আৰু আপাটানিকে ধৰি প্ৰায়বোৰ অৰুণাচল প্ৰদেশৰ জনজাতি চীনা মূলৰ। অৰুণাচল প্ৰদেশত ১১০টাৰো অধিক বেলেগ বেলেগ ভাষা আৰু দোৱান কোৱা পৰ্বতীয়া জনজাতি আছে। এই জনজাতিসকলৰ বাসভূমি ভূটানৰ পূব সীমাৰপৰা চৰাইদেউ জিলাৰ সীমামূৰীয়া কানুবাৰী পৰ্যন্ত বিয়পি আছে। ইয়াৰ প্ৰায় ২৬টা অলপ ডাঙৰ জনজাতি। অকা, আদি, আপাটানিসকল এই ডাঙৰ জনজাতিৰ ভিতৰতে পৰে। কুৰু (Koro) নামৰ জনজাতিসকলৰ জনসংখ্যা আটাইতকৈ কম। মানৰ সময়ত অহা আটাইতকৈ কম জনসংখ্যাৰ জনজাতিসকল কাৰ্বি আংলং জিলাত আছে।

তথ্য অনুসৰি আনুমানিক ১২০০ শতিকাৰ আগতেই কোনো কাৰণত চীনদেশৰপৰা দক্ষিণলৈ আহি এই মানুহখিনি অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূবৰ অন্যান্য পাহাৰীয়া অঞ্চলত প্ৰৱেশ কৰিলেহি। অকাসকল চীন দেশৰপৰা তিব্বত-নেপাল-ভূটান হৈ অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰেহি। ভাস্কৰ বৰ্মাৰ দিনত হিউৱেন ছাং টাৱাং, ভূটান, মঙলদৈ হৈ খুব সম্ভৱ (সহজ বাট) ভাস্কৰ বৰ্মাৰ ৰাজসভালৈ আহিছিল। ভীষ্মক ৰজাৰ ৰাজধানীখনৰ ভগ্নাৱশেষ শদিয়াৰপৰা উত্তৰ দিশত অৰুণাচল প্ৰদেশত আৱিষ্কাৰ কৰা হৈছে। সোৱণশিৰি, ছিয়াং নৈৰ উপত্যকা হৈ চীনদেশ হৈ অৰুণাচল প্ৰদেশ আৰু ভাৰতলৈ অহা পুৰণি বাণিজ্য পথ আছে। ইংৰাজসকলেও এই পথেদি পোন প্ৰথম অৱস্থাত চাহ খেতি কৰিবলৈ চীনা লোক আনিছিল। গতিকে অতীজৰপৰা ভৈয়ামলৈ নামি অহা লোকসকলৰ লগত ভাষা, কলা-সংস্কৃতিৰ মিল আমি বেছিকৈ দেখা পাওঁ। অকাসকল বেছি উগ্ৰ আছিল। ইংৰাজ শাসন কালত তেওঁলোকক নিয়ন্ত্ৰণত ৰাখিছিল। আহোম শাসন কালত প্ৰতাপগড় এওঁলোকক দমন কৰি ৰাখিবলৈ নিৰ্মাণ কৰিছিল বুলি ভাবোঁ। তুলনামূলকভাৱে এওঁলোকৰ ভৈয়ামৰ লগত সংমিশ্ৰণ কম বুলি ক'ব পাৰি। হাপলিত আপাটানিসকলৰ এটা সংগ্ৰহালয় আছে। ইয়াৰপৰা তেওঁলোকৰ সাহসিকতা, কলা-সংস্কৃতি, খাদ্য সামগ্ৰীৰ বিষয়ে জানিব পাৰি। যিহেতু একেটা মূলৰে (Sino Tibetan Language Family) গতিকে ভাষা, সংস্কৃতি, আচাৰ-ব্যৱহাৰ, সাজ-পোছাক আৰু খাদ্যসামগ্ৰীৰ মিল থকাটো স্বাভাৱিক। যেনেকৈ অসমীয়া-উৰিয়াৰ বৰ্ণমালা আৰু ভাষা বেলেগ হ'লেও আমি কিছু মিল দেখা পাওঁ। চাহ জনজাতিৰ ভাষা মধ্য প্ৰদেশৰ গণ্ডিয়াৰ (Gondia) ভাষাৰ লগত কিছু মিল আছে। অৰুণাচল প্ৰদেশত বহুকেইটা জনজাতিৰ দোৱানৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে। কথা পাতিবলৈ তেওঁলোকে ভঙা অসমীয়া-হিন্দী মিহলি ভাষা ব্যৱহাৰ কৰে। যিহেতু আমি তেওঁলোকে কোৱা ভাষা নাজানো; গতিকে ডাঠিকৈ একাষাৰে মিল আছে বুলি কোৱাটো টান। ভাষাবিদ পউল কে. বেনেডিক্টেও (Paul K. Benedict, Anthropologist) বিতংকৈ একো কোৱা নাই। কাৰণ বুৰঞ্জীৰ তথ্য ভিত্তিত কোৱা কথাবোৰৰ সত্যতা প্ৰমাণ কৰিবলৈ হ'লে অৰুণাচল প্ৰদেশৰ প্ৰতিটো জনজাতিৰ বিতং নৃতাত্ত্বিক অধ্যয়ন (Detail Anthropological Studies), ভাষা আৰু মানুহে কঢ়িয়াই লৈ ফুৰা কিছুমান চিকিৎসা বিজ্ঞানৰ চৰিত্ৰ অধ্যয়ন কৰিলে আমি নজনা বহু কথাই স্পষ্ট হৈ পৰাৰ সম্ভাৱনা আছে।

**ধ্ৰুৱজ্যোতি বৰগোহাঁই,**
প্ৰাক্তন উপ মহাপ্ৰবন্ধক, ভূ-তত্ত্ব বিভাগ, অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজান, ফোন ঃ ৭৮৯৬০১১৯২২
**হেমন্ত বৰগোহাঁই,**
ফোন ঃ ৯৪৩৫১০২৮৩৮

## মধুপুৰ সত্ৰ আৰু শংকৰদেৱৰ সমাধি মন্দিৰৰ কথাৰে

প্ৰান্তিকত (১৬।২।২০২০) ডা° হেমন্ত কুমাৰ গোস্বামীৰ শংকৰদেৱৰ সমাধি মন্দিৰৰ বিষয়ে লেখাটো পঢ়ি মোৰো আজি কেইবাবছৰ আগতে মধুপুৰ সত্ৰলৈ যোৱাৰ কথা মনত পৰিল। তেতিয়া সমাধি মন্দিৰ বিষয়ক কথাটো ইমান গভীৰভাৱে ভবা নাছিলোঁ। তেখেতে কথাটো ঠিকেই ধৰিছে। নাম-প্ৰসংগ হোৱা নামঘৰত সমাধি মন্দিৰ নহৈ কিছু আঁতৰত এটি স্মৃতি সৌধ সাজিব পাৰিলেহেঁতেন। মহাপুৰুষজনাৰ মহাপ্ৰয়াণৰ স্মৃতি বিজড়িত অতি গুৰুত্বপূৰ্ণ মধুপুৰ সত্ৰৰ বিষয়ে বহুত লেখা পঢ়িবলৈ পালোঁ যদিও সমাধিৰ কথাটো পঢ়া নাছিলোঁ। আচলতে কোচ বিহাৰৰ মধুপুৰ সত্ৰত অসমীয়া মানুহ নাই। তাত বাংলা সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিছে, সেয়েহে নামঘৰৰ ঠাইত মন্দিৰ হ'ল। সেইদৰে নামঘৰ, গোসাঁইঘৰ আদিত পুবফালে মূৰ দোঁৱাই ভক্তসকলে সেৱা কৰাৰ বিপৰীতে পশ্চিম দিশলৈ মূৰ কৰি সেৱা কৰা নিয়মবোৰো বাংলা সংস্কৃতিৰে প্ৰভাৱ। মই ভাবোঁ যুগ যুগ ধৰি মধুপুৰ সত্ৰ চলাই থকা সত্ৰাধিকাৰ আৰু ভকতসকলে নিশ্চয় শুধৰণি কৰিব পাৰিলেহেঁতেন।

আমি যেতিয়া সত্ৰখনত প্ৰৱেশ কৰিছিলোঁ দেখিছিলোঁ চাৰিওফালে এটা নিমাওমাও পৰিৱেশ। বিশাল সেউজীয়াৰ মাজত সত্ৰখন অৱস্থিত। পৰিষ্কাৰ-পৰিচ্ছন্ন চৌহদ। ভকত এজনে আমাক সত্ৰাধিকাৰজনৰ ওচৰলৈ লৈ গ'ল। আমি তেখেতৰ ওচৰতে থকা আসনত বহি কথা-বতৰাত ভাগ ল'লোঁ। তেখেতে সত্ৰখনৰ অৱস্থাৰ বিষয়ে কৈছিল। কোনোমতে অক্ষয় বন্তিগছ ৰক্ষা কৰি আছে। সত্ৰৰ বহুত বিঘা মাটি দখল কৰি তাত মানুহে খেতিবাতি কৰি আছে। ভকত বৈষ্ণৱ পাবলৈ নাই। কেতিয়াবা দূৰৈৰপৰা সত্ৰ দৰ্শন কৰিবলৈ অহা যাত্ৰীসকলৰ দান-বৰঙণিয়েই আমাৰ আশা-ভৰসাৰ থল। তেওঁলোকে কিছুসময়ৰ বাবে নাম-প্ৰসংগ কৰি নামঘৰটো মুখৰিত কৰি থৈ যায়। আমাৰ দেশৰ সত্ৰ-নামঘৰবোৰ ভকত-বৈষ্ণৱেৰে ভৰি আছে, দান-বৰঙণিৰেও চহকী অথচ মধুপুৰৰ ক্ষেত্ৰত সেইটো সম্ভৱ হৈ উঠা নাই। নামধৰ্ম ধৰি ৰাখিবলৈ তাত ভকতৰে আকাল। চাহ খোৱাৰ পাছত ভকত এজনে আমাক নামঘৰ দৰ্শন কৰোৱালে। তেওঁৰ মুখতো সত্ৰখনৰ কথাবোৰ শুনিলোঁ।

মই যেতিয়া পশ্চিমবংগৰ মায়াপুৰত থকা আন্তৰ্জাতিক ইস্কন মন্দিৰ চাবলৈ গৈছিলোঁ, তাত দেখিছিলোঁ মন্দিৰৰ চৌহদ লোকে লোকাৰণ্য। হোটেলবোৰত আগতেই কোঠা লৈ থ'ব লাগে। দেশ-বিদেশৰপৰা অহৰহ যাত্ৰী আহিয়ে আছে। কিছুমানে তাতে দীক্ষা লৈ থাকিয়ে গৈছে। যাত্ৰীক দীক্ষা ল'বলৈ জোৰ নকৰিলেও দীক্ষা লোৱাৰ আদব-কায়দা জানে। মায়াপুৰলৈ গৈ তেতিয়া মোৰ কিয় জানো নিজৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা বা দুৰ্বলতা থকাৰ কাৰণে নেকি মনলৈ ভাব আহিছিল যে ইমান প্ৰচাৰ আৰু প্ৰসাৰ আমাৰ শংকৰী ধৰ্মত কিয় নাই। শংকৰদেৱে দি থৈ যোৱা সাহিত্য-সংস্কৃতি, কলাকৃষ্টিৰ মেটমৰা সম্ভাৰেৰে জাকত জিলিকা আমাৰ অসম। কিমান বাধা-বিঘিনি, দুৰ্গম যাত্ৰা পথ নেওচি ধৰ্ম প্ৰচাৰ কৰি থৈ গ'ল, তাৰ তুলনাত আজি যাতায়াতৰ সুগম ব্যৱস্থা থকা মধুপুৰ সত্ৰখন যেন ওচৰ হৈ পৰিছে। মাজুলীৰ সত্ৰবোৰত যেনেকৈ সত্ৰীয়া সংস্কৃতিৰ এটি পৰিৱেশ আছে মধুপুৰত সেইটো নাই। অসমীয়া মানুহেই নাই ভকত দুজনমানে কি কৰিব? মাজুলীৰ বাহিৰে অসমৰ অ'ত-ত'ত থকা সত্ৰবোৰৰো ৰক্ষণাবেক্ষণ নাই তাতে আকৌ দূৰৈত থকা মধুপুৰ সত্ৰ। গতিকে মই ভাবোঁ শংকৰ সংঘ বা আন আন ধৰ্মীয় প্ৰতিষ্ঠানৰ লগত জড়িত থকা লোকসকলেও কিছু চিন্তা-চৰ্চা কৰি মধুপুৰ সত্ৰখন জীয়াই ৰখাৰ ব্যৱস্থা কৰা উচিত। বছৰি অত টকা খৰচ কৰি ভোজভাত খাই নাম-গুণ গাই অনুষ্ঠানবোৰ পাতে, কিন্তু তাৰ স্থায়ী চিন একো নাথাকে। গুৰুজনাৰ যুগমীয়া সৃষ্টি নামঘৰ আৰু সত্ৰসমূহত যাতে ঘুণে নধৰে তাৰ প্ৰতি সমাজৰ বহুত দায়িত্ব আছে।

**মুকুতা মালা বৰুৱা,**
ঘৰ নম্বৰ-১০৯, চন্দ্ৰবালা বৰুৱা পথ,
শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩,
ফোন ঃ ৯৪৩৫১০৭১০৪